# কুইয়েৰ কবিতা: কবিতাৰ এক বিশেষ ধাৰা

**অনিৰ্বাণ দত্ত**



কুইয়েৰ কবিতা (Queer Poetry)ৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি কুইয়েৰ (Queer) মানে কি জনা দৰকাৰ। Queer শব্দৰ আভিধানিক অৰ্থ হ'ল strange, peculiar, odd আদি। অসমীয়াত ক'বলৈ গ'লে কুইয়েৰ শব্দৰ অৰ্থ আচৰিত, বিশেষভাবে ভিন্ন, ব্যতিক্ৰমী, অস্বাভাৱিক আদি। এই শব্দই বিশেষ মনো-শাৰীৰিক গুণবিশিষ্ট বা সৰ্বসাধাৰণ (normal) লোকতকৈ পৃথক বৈশিষ্ট্যৰ (exceptional) লোকসকলক বুজায়। প্ৰধানতঃ যৌন আচৰণ, আৱেগ আৰু যৌন-জীৱনৰ বিচিত্ৰতাক চলক (variable) বা ভিত্তি (base) হিচাপে ধৰি এইসকল লোকক সৰ্বসাধাৰণ লোকৰ পৰা পৃথক কৰা হয়। পৰম্পৰাগত সমাজে এওঁলোকক LGBTQ বুলি চিনাক্ত কৰে আৰু খোজেপতি উপহাস কৰিবলৈ সংকোচ নকৰে। LGBTQ মানে Lesbian, Gay, Bisexual, Transgender আৰু Queer।

: *লেজবিয়ান*— নাৰী নাৰীৰ প্ৰতি অনুৰক্ত তথা সমকামী বুলি অভিহিত।

: *গে'* — পুৰুষ পুৰুষৰ প্ৰতি অনুৰক্ত তথা সমকামী বুলি অভিহিত।

: *বাইছেক্সুৱেল*— পুৰুষ আৰু নাৰীৰ উভয় লক্ষণযুক্ত লোক। হিজৰা বা কিন্নৰ বুলি পৰিচিত সকল।

: *ট্ৰান্সজেণ্ডাৰ*— ছাৰ্জাৰিৰ দ্বাৰা লিংগ সলনি কৰা সকল।

: *কুইয়েৰ*— সমলিংগৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰা সকল। ইয়াৰ উপৰি লিংগ হতাশাগ্ৰস্ত (Gender dysphoria), যৌন নিৰাসক্ত (odd sexual) প্ৰকাৰৰ লোকো আছে।

বৃহত্তৰ সমাজখনত তুলনামূলকভাবে সংখ্যাত তেনেই তাকৰ এইসকল লোকৰ যৌন আচৰণ, প্ৰেম-প্ৰীতি-ভাতৃত্ববোধৰ অনুভৱ, উপলব্ধি, আশা, আকাংক্ষা সৰ্বসাধাৰণ লোকতকৈ পৃথক। বহু সময়ত, শাৰীৰিক গঠন আৰু জননাংগৰ আকাৰ-প্ৰকাৰ, কাৰ্যক্ষমতা আদি দিশেৰেও এওঁলোক সৰ্বসাধাৰণ লোকতকৈ বিচিত্ৰ। আনহাতে, জীৱন আৰু জগতৰ প্ৰতি এওঁলোকৰ পৰ্যবেক্ষণ (observation), মনোভাব (Attitude), জন্মগত প্ৰৱণতা (aptitude বা tendency), চিন্তন (thinking), মনন (contemplation)ৰ ছবিবোৰো বিচিত্ৰ। So, naturally, they are differ from other people in terms of mental, physical, social, and emotional development. গতিকে, সমাজ নিৰ্ধাৰিত পৰিকাঠাম আৰু প্ৰমূল্যৰ মাজেৰে এওঁলোকৰ জীৱনবোৰ আগবাঢ়িব বুলি আশা কৰা ভুল। তেওঁলোকক সাধাৰণ লোকৰ খোজত খোজ মিলাবলৈ বাধ্য কৰোৱাটোও একেই ভুল কাৰ্য। তেওঁলোকে প্ৰদৰ্শন কৰা বিষমতাবোৰ স্ব-সৃষ্ট নহয়, প্ৰাকৃতিক। মানৱ সমাজত তেওঁলোকো এটা স্বতন্ত্ৰ শ্ৰেণী, প্ৰকৃতিৰ অনবদ্য অৱদান। মানৱ সমাজ কেৱল পুৰুষ আৰু নাৰী এই দুটা বৃহৎ ভাগতে বিভক্ত বুলি যি পুৰুষতান্ত্ৰিক দৃঢ়মূল ধাৰণা চলতি আছে এয়া সলনি হ'ব লাগে। LGBTQ সকলক আন এটা স্বতন্ত্ৰ শ্ৰেণী বুলি সন্মান দিয়া, সমাজত সম-অধিকাৰ দিয়া, তেওঁলোকৰ ইচ্ছা-আকাংক্ষাকো একেই মানৱীয় ইচ্ছা-আকাংক্ষা বুলি মৰ্যাদা দিয়া, সৰ্বসাধাৰণ মানুহৰ মনৰ পৰা ভুল ধাৰণা আঁতৰ কৰোৱা আৰু LGBTQ সকলকো স-সন্মানেৰে জীয়াই থাকিবলৈ প্ৰেৰণা দিয়াৰ উদ্দেশ্যে বিংশ শতিকাৰ শেষ দশকৰ পৰা যি চিন্তাৰ বিপ্লৱ ঘটিছে— সিয়েই বহল অৰ্থত Queer Study বুলি প্ৰখ্যাত হৈ পৰিছে। মূলসুঁতিৰ সাহিত্যত প্ৰবন্ধ, গল্প, উপন্যাস, নাটক আদি ৰচনা কৰি LGBTQ সকলৰ অধিকাৰ সুৰক্ষা আৰু সন্মান ৰক্ষাৰ বাবে বিশ্বৰ বিখ্যাত সাহিত্যিকসকল সোচ্চাৰ হৈ উঠিছে। দেশ-বিদেশৰ সজাগ কবিসকলে নিজ নিজ ভাষাত এই একেই উদ্দেশ্যত যি কাব্য-শিল্প সৃষ্টি কৰি আছে আচলতে সেয়াই কুইয়েৰ কবিতা। ইতিমধ্যে, ই কাব্য সাহিত্যৰ এটা নতুন ধাৰা হিচাপে পৰিগণিত হৈছে। Audre Lord, Danez Smith, Allen Ginsberg, Eileen Myles, Sunit Namjoshi, R. Raj Rao আদি বিশ্বৰ প্ৰখ্যাত কুইয়েৰ কবি। হোছাং দিনশ্ব' মাৰ্চেন্ট (Hoshang Merchant— জন্ম ১৯৪৭) ক ভাৰতৰ কুইয়েৰ কবিতাৰ পথপ্ৰদৰ্শক বুলি গণ্য কৰা হয়। অসমীয়া ভাষাতো বুজন সংখ্যক কুইয়েৰ কবিতা ৰচিত হৈ আছে। জনপ্ৰিয় কবি জোনমণি দাসৰ কবিতা পুথি সমকামী সূৰ্যৰ (প্ৰকাশ কাল— ২০২০) প্ৰায় ষাঠি শতাংশ কবিতা সমকামিতা বিষয়ক বুলি কবিয়ে পুথিখনৰ পাতনিত উল্লেখ কৰিছে। কুইয়েৰ কবি ময়ুৰী ডেকায়ো আন্ধাৰ কোঠালিৰ দুৱাৰ ভাঙি (প্ৰকাশ কাল— ২০২১) বুলি এখন কুইয়েৰ কবিতাৰ পুথি ৰচনা কৰিছে। অসমীয়া কুইয়েৰ কবিতাৰ এক উদাহৰণ তলত উল্লেখ কৰা হ'ল—

কবিতাৰ শিৰোনাম— 'চম্পাৱতী'
কবি— ময়ূৰী ডেকা।

"এবাৰ গাঁৱত হাহাকাৰ লাগিছিল
চম্পাৱতী হেৰাইছিল

চম্পাৱতী গৈছিল পথাৰ ৰখিবলৈ
চম্পাৱতী গৈছিল চৰাই হুৰাবলৈ
আৰু গান এটা গাবলৈ

তেতিয়ালৈকে সকলো কথা ঠিকেই আছিল

লাহে লাহে চম্পাৱতীৰ ভৰি বৈ যোৱা হ'ল ঘৰমুৱা হ'বলৈ লৈও

পথাৰত যে তাই থাকে– চম্পাৱতীৰ প্ৰেমিকা

চম্পাৱতীৰ প্ৰেমিকা ধানৰ দৰে গোন্ধায়
চম্পাৱতীৰ প্ৰেমিকা চৰাইৰ দৰে কোমল
চম্পাৱতীৰ প্ৰেমিকা শীতৰ বনজুই

গাঁৱৰ মানুহে অজগৰক বিচাৰি থাকোঁতে চম্পাৱতী আৰু তাইৰ প্ৰেমিকাই
এহেজাৰ এশটা প্ৰেমৰ কবিতা লিখে

গাঁৱৰ মানুহে বিয়াৰ ৰভাৰ বাঁহ পোতোঁতে চম্পাৱতী আৰু তাইৰ প্ৰেমিকাই
হালধীয়া চৰাইৰ লগত বন্ধুত্ব কৰে

গাঁৱৰ মানুহে সোণ-গহনাৰ হিচাপ কৰি থাকোঁতে
চম্পাৱতী আৰু তাইৰ প্ৰেমিকাই বগৰী-জলফাই চকলিয়াই কলপাতত খায়

বিয়াৰ ৰাতি গাঁৱৰ মানুহে যেতিয়া ভোজভাত খায়, চম্পাৱতী হেৰাই যায়

আৰু তেতিয়াই গাঁৱত লাগিছিল হাহাকাৰ”

(উল্লিখিত কবিতাটি *যাত্ৰা,* মে’ ২০২৩ সংখ্যাৰ পৰা সংগৃহীত।)

LGBT-ৰ অধ্যয়নকে বহুতে Queer Study বুলিব বিচাৰে যদিও ইয়াৰ পৰিধি LGBT-তকৈ বহু বহল। সাধাৰণ অৰ্থত কুইয়েৰ ষ্টাডি মানে যৌন বৈচিত্ৰ্য (sexual diversity)ৰ অধ্যয়ন। যেতিয়া কোনো ব্যক্তিয়ে নিজৰ যৌন উপলব্ধিৰ ক্ষেত্ৰত চিৰাচৰিত ধাৰণাৰ বিপৰীতে গৈ বিচিত্ৰ বা খাপচৰা অনুভৱ প্ৰকাশ কৰে— সেয়াই যৌন বৈচিত্ৰ্য। সাধাৰণতে, আমাৰ সমাজে পুৰুষে নাৰীৰ প্ৰতি আৰু নাৰীয়ে পুৰুষৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰা অৰ্থাৎ বিষম যৌন আচৰণ (heterosexual behavior) কৰাটোৱেই প্ৰাকৃতিক ঘটনা বুলি গণ্য কৰে। ইয়াৰ বিপৰীতে, পুৰুষে পুৰুষৰ প্ৰতি বা নাৰীয়ে নাৰীৰ প্ৰতি যৌন আকৰ্ষণ অনুভৱ কৰা অৰ্থাৎ সম-কাম আচৰণ (homosexual behavior) প্ৰদৰ্শন কৰাটো গৰ্হিত বুলি গণ্য কৰে। আনকি, পুংলিঙ্গ আৰু স্ত্ৰীলিংগৰ বাদেও যে ভিন্ন লিংগৰ মানৱ জন্ম হ’ব পাৰে সেয়া আমাৰ সমাজে নামানে। কিন্নৰ বা হিজৰা সকলক ত্ৰুটিপূৰ্ণ বা অৰ্ধবিকশিত জন্ম বুলি কৈ হাত সাৰে। সমাজে যিয়েই নকওক, মানৱ সমাজত যে অগতানুগতিক যৌন উপলব্ধি অনুভৱ কৰা আৰু ব্যতিক্ৰম আচৰণ প্ৰদৰ্শন কৰা অল্পসংখ্যক হ’লেও বিশিষ্ট মানুহ প্ৰকৃতিয়ে জন্ম দিছে সেয়া অগ্ৰাহ্য কৰাৰ উপায় নাই। এই সকল লোকৰ বিচিত্ৰ যৌন অভিমুখিতা (sexual orientation) অধ্যয়ন কৰাটোৱেই কুইয়েৰ ষ্টাডিজৰ মূল কাম। যৌন অভিমুখিতাৰ দিশত যিবোৰ প্ৰত্যাহ্বান (issues) আৰু সমস্যা (problems) থিয় হয় কুইয়েৰ অধ্যয়নে সেইবোৰকো এৰি নাযায়। কুইয়েৰ অধ্যয়নে এইসকল ব্যতিক্ৰমী লোকক সংক্ষিপ্ত ৰূপত LGBTIQA+ বুলি নামাংকন কৰি বহল অধ্যয়নৰ পাতনি মেলিছে। L G B T Q আখৰকেইটাৰ অৰ্থ ওপৰত উল্লেখ কৰা হৈছেই। বাকী, A মানে asexual বা যৌনানুভুতি শূন্য লোক আৰু I মানে intersex বা আন্তঃলৈংগিক লোক অৰ্থাৎ শাৰীৰিক বা আৱেগিক দৃষ্টিকোণৰ কৰা পুৰুষ বা মহিলা কোনোটো শ্ৰেণীতে নোসোমোৱা লোক। LGBTIQA এই সংক্ষিপ্ত ৰূপৰ লগত থকা যোগ চিহ্নটোৱে (+) অদ্যাপি চিনাক্ত হ’বলৈ বাকী থকা বিচিত্ৰ লিংগ আৰু যৌন পৰিচয়ক সূচায়।

কুইয়েৰ সকলৰ অধিকাৰ সুৰক্ষাৰ দিশত শেহতীয়াকৈ কুইয়েৰ কবিতাই শক্তিশালী ভুমিকা গ্ৰহণ কৰিব পাৰিছে। ধাৰা হিচাপে কুইয়েৰ কবিতাই LGBTQIA+ ব্যক্তিসকলৰ অভিজ্ঞতা, পৰিচয় আৰু আৱেগৰ সৈতে জড়িত বিষয়বস্তুসমূহ অন্বেষণ কৰে। ই পৰম্পৰাগত সমাজে পছন্দ কৰা বিষম-যৌন (heterosexual) দৃষ্টিকোণৰ বিপৰীতে গৈ কুইয়েৰসকলৰ প্ৰেম, ইচ্ছা, পৰিচয়, বৈষম্য আৰু সামাজিক প্ৰত্যাশাৰ দৰে বিষয়সমূহৰ ওপৰত আলোচনা কৰে। সাধাৰণতে আমাৰ সমাজ নেতৃত্বই লিংগ বা পুৰুষ-মহিলা ভিত্তিক বাধ্যবাধকতাৰে মানুহক বিশ্লেষণ কৰে। ইয়াৰ উপৰি, সমাজত এক সামাজিক হায়াৰ্কি (hierarchy) বৰ্তাই ৰখাৰ সপক্ষে মতামত দিয়ে। কুইয়েৰ কবিতাই এনে ৰীতিৰ বিৰোধ কৰে। আনকি, সংখ্যাগুৰু সমাজে চেপি ৰাখিব বিচৰা দলিত, মুছলমান, সংখ্যালঘু খিলঞ্জীয়া, মহিলা, বিকলাংগ আৰু অন্যান্য অৱহেলিত শ্ৰেণীৰ আশা-আকাংক্ষা, পৰিচয় আৰু অধিকাৰসমূহ সুৰক্ষাৰ বাবেও কুইয়েৰ কবিতাই কাম কৰে। গতিকে, কুইয়েৰ কবিতাৰ পৰিধি যথেষ্ট বহল। সকলো মানুহকে সমান বুলি গণ্য কৰা সামাজিক পৰিৱেশ এটা কুইয়েৰ কবিতাই গঢ়িব বিচাৰে। কুইয়েৰ (LGBTQIA+) সকলো তেজ-মঙহৰে মানুহ। তেওঁলোকক কেৱল যৌন আচৰণৰ ভিত্তিতে চিনাক্ত কৰি 'কুইয়েৰ' বুলি লক্ষ্মণ ৰেখাৰ মাজত বন্দী কৰি থোৱাটো অন্যায় আৰু অমানৱীয় বিচাৰ। তেওঁলোকৰ স্বকীয় সামাজিক আচৰণ আৰু চিন্তা-কৰ্ময়ো মান্যতা পাব লাগে। আমাৰ দেশে সমকাম (homosexuality) ক ২০১৮ চনতে বৈধ বুলি ঘোষণা কৰিছে। বৰ্তমান সমলিংগৰ দুজন লোকৰ মাজত বিবাহো সম্পন্ন হ'ব পাৰে। পৰম্পৰাগত সমাজে আৰু এতিয়া পূৰ্বৰ দৰে LGBTIQA+ সকলক হীন দৃষ্টিৰে চাব নোৱাৰে। গতিকে, কুইয়েৰ সকলৰ স্বকীয় জীৱন শৈলী, ইচ্ছা-আকাংক্ষা, চিন্তা-কৰ্মক সংবেদনশীলভাবে কুইয়েৰ কবিতাই তুলি ধৰিবলৈ প্ৰয়াস কৰি আছে। বহুতে কুইয়েৰ লোকসকলে লিখা কবিতাকে কুইয়েৰ কবিতা বুলি ক'ব বিচাৰে। আচলতে, কুইয়েৰসকলৰ জীৱন আৰু আৱেগ, উপলব্ধি, সংবেদনশীলতা, বিচিত্ৰ আচৰণ আদিক কেন্দ্ৰ কৰি লিখা যিকোনো কবিৰ কবিতায়ে কুইয়েৰ কবিতা। এইবোৰ কবিতাও লিংগ পৰিচয় নিৰ্বিশেষে যিকোনো পাঠকে পঢ়ি ৰস পান কৰিব পাৰে। অৱশ্যে, কুইয়েৰ কবিতাৰ বিষয়বস্তু আৰু কন্ঠস্বৰ কিছু সুকীয়া হোৱাৰ বাবে কুইয়েৰ জনসমষ্টিৰ প্ৰতি আগতীয়া ভাল ধাৰণা নথকা লোকে পোনেই এই কবিতা পঢ়ি বিব্ৰতবোধ কৰিব। কুইয়েৰ কবিতাৰ ৰসাস্বাদন প্ৰধানকৈ কুইয়েৰ লোকসকলেই ভালকৈ কৰিব পাৰে। এনে কবিতাত তেওঁলোকৰ আত্মউপলব্ধি থাকে; নিজৰ বিচিত্ৰতা, বিশিষ্টতা, সম্ভাৱনা, সীমাবদ্ধতা আদিক বুজাৰ সুযোগ থাকে। কুইয়েৰ জীৱনৰ অনুভৱ, চিন্তা, আৱেগ, আকাংক্ষাক দাঙি ধৰি কুইয়েৰ কবিতাই সম্প্ৰতি সৰ্বস্তৰৰ পাঠককে আকৃষ্ট কৰিবলৈ সক্ষম হৈছে আৰু কুইয়েৰ সকলৰ প্ৰতি থকা সামাজিক ভ্ৰান্তিবোৰ আঁতৰাই পঠিয়াব পাৰিছে।